জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

**নং ঃ ২১/২০২১**

### তিনিচুকীয়া জিলা অসামৰিক চিকিৎসালয় পৰিদৰ্শন কৰাৰ লগতে জিলাখনৰ ক'ভিড পৰিস্থিতিৰ পৰ্যালোচনা কৰিলে মুখ্যমন্ত্ৰীয়ে

### ক'ভিড পৰীক্ষাৰ সংখ্যা বৃদ্ধি কৰাৰ লগতে জিলাখনত সান্ধ্য আইনৰ সময় দুঘন্টা আগুৱাই আনিবলৈ উপায়ুক্তক মুখ্যমন্ত্ৰীৰ নিৰ্দেশ

## তিনিচুকীয়া জিলা অসামৰিক চিকিৎসালয়ত শীঘ্ৰে এটা অক্সিজেন জেনেৰেশ্যন প্লান্ট গঢ়ি তোলাৰ লগতে আই চি ইউ বিচনাৰ সংখ্যা তাৎক্ষণিকভাৱে বৃদ্ধি কৰাৰ ব্যৱস্থা ল'বলৈও ৰাষ্ট্ৰীয় স্বাস্থ্য অভিযান, অসমৰ সঞ্চালকক মুখ্যমন্ত্ৰীৰ নিৰ্দেশ

**দিছপুৰ, ১৫ মে' ঃ** মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি তিনিচুকীয়া জিলা অসামৰিক চিকিৎসালয় পৰিদৰ্শন কৰি হাস্পতালখনৰ চিকিৎসক তথা অন্যান্য বিষয়াসকলৰ পৰা ক'ভিড ৰোগীৰ চিকিৎসাৰ ব্যৱস্থাপনাৰ বিতং বুজ লয়। মুখ্যমন্ত্ৰীয়ে চিকিৎসালয়খনত বৰ্তমানৰ ক'ভিড ৰোগীৰ সংখ্যা, আই চি ইউ বিচনা, ঔষধ, অক্সিজেনৰ পৰ্যাপ্ততা ইত্যাদিৰ বিষয়েও বুজ লয়।

ইয়াৰ পিছতে মুখ্যমন্ত্ৰীয়ে তিনিচুকীয়া জিলাৰ উপায়ুক্তৰ কাৰ্যালয়ৰ সভাকক্ষত কেন্দ্ৰীয় খাদ্য সংসাধন দপ্তৰৰ ৰাজ্যিক মন্ত্ৰী ৰামেশ্বৰ তেলী, চাহ জনজাতি কল্যাণ বিভাগৰ মন্ত্ৰী সঞ্জয় কিষাণ, বিধায়কসকল ক্ৰমে বলীন চেতিয়া, ভাস্কৰ শৰ্মা, সুৰেন ফুকন, তৰংগ গগৈ আৰু ৰূপেশ গোৱালাৰ উপস্থিতিত জিলা প্ৰশাসন তথা স্বাস্থ্য বিভাগৰ সৈতে এক বৈঠকত মিলিত হয়। উক্ত বৈঠকত তিনিচুকীয়া জিলাৰ উপায়ুক্ত আৰু স্বাস্থ্য সেৱাৰ যুটীয়া সঞ্চালকে জিলাখনৰ সাম্প্ৰতিক ক'ভিড পৰিস্থিতি, স্বাস্থ্য বিভাগে গ্ৰহণ কৰা পদক্ষেপ, ক'ভিড ৰোগীৰ চিকিৎসাৰ বাবে যাৱতীয় অতিৰিক্ত ব্যৱস্থা ইত্যাদিৰ বিষয়ে মুখ্যমন্ত্ৰীক সবিশেষ অৱগত কৰে। মুখ্যমন্ত্ৰীয়ে জিলাখনত প্ৰতিদিনে অতি কমেও ৫০০ টা আৰ টি পি চি আৰ পৰীক্ষাসহ ন্যূনতম ২ হাজাৰ টা ক'ভিড পৰীক্ষা সম্পন্ন কৰাৰ নিশ্চিত পদক্ষেপ ল'বলৈ স্বাস্থ্য বিভাগক নিৰ্দেশ প্ৰদান কৰে। জিলাখনত বিগত কিছুদিন ধৰি প্ৰতিদিনে ১৫০ ৰ পৰা ২০০ গৰাকী পৰ্যন্ত ক'ভিড ৰোগী চিনাক্ত হোৱাৰ পৰিপ্ৰেক্ষিতত জনসাধাৰণৰ সুৰক্ষাৰ স্বাৰ্থত সান্ধ্য আইনৰ সময় দুঘন্টা আগুৱাই আনিবলৈও মুখ্যমন্ত্ৰীয়ে আজিৰ বৈঠকতে জিলা উপায়ুক্তক পৰামৰ্শ আগবঢ়ায়। জিলাখনত যাতে চিকিৎসাৰ বাবে পৰ্যাপ্ত পৰিমাণৰ অক্সিজেন উপলব্ধ কৰোৱাব পৰা যায় তাৰ বাবে তিনিচুকীয়া জিলা অসামৰিক চিকিৎসালয়ত শীঘ্ৰে এটা অক্সিজেন জেনেৰেশ্যন প্লান্ট গঢ়ি তোলাৰ লগতে আই চি ইউ বিচনাৰ সংখ্যা তাৎক্ষণিকভাৱে বৃদ্ধি কৰাৰ ব্যৱস্থা ল'বলৈও ৰাষ্ট্ৰীয় স্বাস্থ্য অভিযান, অসমৰ সঞ্চালকক মুখ্যমন্ত্ৰীয়ে আজিৰ বৈঠকতে নিৰ্দেশ প্ৰদান কৰে।

# জনসংযোগ, অসম
# মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
# প্ৰেছ বাৰ্তা

আজিৰ পৰ্যালোচনা কালত মুখ্যমন্ত্ৰী ড° শৰ্মাই তিনিচুকীয়া জিলাত ক'ভিড ভেকচিন প্ৰদানৰ শেহতীয়া স্থিতিৰো বুজ লয়। জিলাখনৰ চাহ বাগিচা আৰু গ্ৰামাঞ্চলকে ধৰি সকলো অঞ্চলৰ ৰাইজক পৰ্যাপ্ত সংখ্যক ক'ভিড ভেকচিন উপলব্ধ কৰোৱাৰ বাবে দৈনিক ভেকচিন প্ৰদানৰ সংখ্যা বৃদ্ধি কৰিবলৈ তেওঁ স্বাস্থ্য বিভাগক নিৰ্দেশ দিয়ে। স্থানীয় বিধায়কসকলৰ পৰামৰ্শ অনুসৰি জিলাখনত ক'ভিড ৰোগীক চিকিৎসালয়লৈ নিয়াৰ বাবে পৰ্যাপ্ত সংখ্যক অক্সিজেনৰ সুবিধা থকা এম্বুলেন্সৰ ব্যৱস্থা কৰিবলৈ তেওঁ সংশ্লিষ্ট বিষয়ববীয়াসকলক নিৰ্দেশ দিয়ে। উল্লেখযোগ্য যে তিনিচুকীয়া জিলাত আজিৰ তাৰিখলৈকে ১৪৮২৫ সংখ্যক ক'ভিড পৰীক্ষা সম্পন্ন কৰা হৈছে আৰু ১৬৮০ গৰাকী ক'ভিড ৰোগী চিনাক্ত কৰা হৈছে। সংক্ৰমণৰ হাৰ হৈছে ১১.৩৩ শতাংশ। জিলাখনৰ ১২৫ টা টিকাকৰণ কেন্দ্ৰত এই পৰ্যন্ত ১০৮৯২১ পালি ক'ভিড ভেকচিন প্ৰদান কৰা হৈছে।

ইয়াৰ পিছতে সাংবাদিকৰ সৈতে হোৱা কথা-বতৰাৰ সময়ত মুখ্যমন্ত্ৰী ড° শৰ্মাই কয় যে যোৱা ১০ দিন ধৰি তিনিচুকীয়া জিলাৰ ক'ভিড পৰিস্থিতি অপৰিৱৰ্তিত হৈ আছে। জিলাখনৰ চাহ বাগিচা অঞ্চলতো এই ৰোগ সংক্ৰমিত হৈছে। ক'ভিড সংক্ৰমণ ধৰা পৰা বাগিচাসমূহক কন্টেইনমেন্ট জ'ন ঘোষণাৰ পদক্ষেপ ল'বলৈ নিৰ্দেশ দিয়া হৈছে বুলি তেওঁ অৱগত কৰে। তেওঁ জানিবলৈ দিয়ে যে এই ব্যৱস্থাসমূহ গ্ৰহণৰ ফলত বাগিচাৰ শ্ৰমিকসকলৰ লগতে দুখীয়া লোকসকলৰ যাতে বিশেষ অসুবিধাৰ সৃষ্টি নহয়, তাৰ বাবে ৰাজ্য চৰকাৰে অচিৰেই প্ৰয়োজনীয় পদক্ষেপ গ্ৰহণ কৰিব।

আলফাৰ স্ব-ঘোষিত মুখ্য সেনাধ্যক্ষ পৰেশ বৰুৱাৰ বিবৃতিৰ প্ৰসংগ উল্লেখ কৰি মুখ্যমন্ত্ৰী ড° শৰ্মাই কয় যে পৰেশ বৰুৱাই বিবৃতিটোত নতুনকৈ গঠন হোৱা চৰকাৰখনৰ প্ৰতি কিছু সদিচ্ছা প্ৰকাশ কৰা দেখিবলৈ পোৱা গৈছে। আলোচনাৰ বাবে পৰিৱেশ সৃষ্টি কৰাৰ দায়িত্ব চৰকাৰ আৰু আলফা উভয় পক্ষৰে আছে বুলি মন্তব্য কৰি তেওঁ কয় যে ৰাজ্য চৰকাৰৰ তৰফৰ পৰা এই দিশত অনুকূল পৰিৱেশ নিৰ্মাণৰ বাবে উপযুক্ত পদক্ষেপ লোৱা হ'ব। ক'ভিডৰ এই জটিল সময়ত শান্তি-সম্প্ৰীতি বজাই ৰখাৰ বাবে মুখ্যমন্ত্ৰীয়ে সকলোৰে সহযোগিতা কামনা কৰে।

**প্ৰঃকুঃব / বঃভাঃ**
**১৫/০৫/২০২১**

**Website:** cm.assam.gov.in/assam.mygov.in **E-mail:** cmprcell09@gmail.com

/CMOfficeAssam / /cmofficeassam cmassam.prcell@gov.in